অধ্যায় ১৪ ঃ মোগল যুগত ধর্মীয় বিকাশ

অধ্যায়টিৰ গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ মোগল শাসকসকলৰ ধর্মীয় নীতি

- আকবৰৰ ধর্মীয় নীতি
- ঔৰংজেৰৰ ধর্মীয় নীতি

১৪.৪ হিন্দুবাদ

১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো

১৪.৬ অধিক জানিবলৈ

১৪.৭ অগ্রগতিৰ খতিয়ান

১৪.৮ আৰ্হি প্রশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- মোগলৰ অধীনত ধর্মীয় পৰম্পৰা বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব,
- মোগল শাসকসকলৰ ধর্মীয় নীতিসমূহ বর্ণনা কৰিব পাৰিব, আৰু
- ইছলামধর্মালম্বী মোগল শাসকৰ সময়ত হিন্দুধর্ম আৰু ইয়াৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি মোগল যুগত কলা আৰু সংস্কৃতিৰ বিষয়ে আলোচনা কৰিছিলো। এই অধ্যায়ত আমি মোগল সাম্রাজ্যৰ অধীনত ধর্মীয় সংস্কৃতিৰ বিষয়ে আলোচনা কৰিম।

মোগল সাম্রাজ্য আছিল এক সম্পূর্ণৰূপে ভাৰতীয় সম্পৰীক্ষা মোগল সংস্কৃতিয়ে পাৰস্যীয়- ইছলামিক আৰু ভাৰতীয় স্থানীয় উপাদানসমূহৰ সংমিশ্রণ ঘটাই এক নিজস্ব একক গঢ়ি তুলিছিল। বাবৰ আৰু হুমায়ুনে মোগল কর্তৃত্ব প্রতিষ্ঠাৰ বাবে বৃহৎ বাধাৰ বিৰুদ্ধে যুজিবলগীয়া হৈছিল। অন্তহাতে আকবৰে সীমান্তসমূহক সুস্থিৰতা প্রদান কৰা আৰু প্রসাৰঘটোৱাৰ উপৰিও এক প্রকৃত ভাৰতীয় ৰাষ্ট্র গঠনক এক তাত্ত্বিক ৰূপৰেখা প্রদান কৰিছিল। বাবৰৰ পৰা ঔৰেংজেৱলৈকে, মোগল সম্রাটসকলৰ ধর্মীয় নীতিসমূহে ভাৰতৰ শাসক শ্রেণীৰ বাবে এক আদর্শ দাঙি ধৰিবলৈ সক্ষম হয়। এই নীতিসমূহে ডাঙি ধৰে যে ভাৰতৰ শাসক শ্রেণীয়ে ধর্মীয় দিশত সহনশীলতা আৰু সমানতাৰ নীতি অনুসৰণ কৰা উচিত। বাবৰ আৰু হুমায়ুনে এক স্পষ্ট

ধর্মীয় নীতি অনুসৰণ কৰিব, পর্য্যাপ্ত সময় পোৱা নাছিল। আকবৰে ধর্মীয় সহনশীলতাৰ নীতি অনুসৰণ কৰিছিল আৰু ভাৰতৰ সাংস্কৃতিক ঐক্যৰ বাবে প্ৰচেষ্টা চলাইছিল। তেওঁৰ নীতিৰ বাবে তেওঁ গৰিষ্ঠসংখ্যক প্ৰজাৰ সমর্থন লভিছিল। যাৰবাবে, তেওঁ মোগল সাম্ৰাজ্যক শক্তিশালী কৰাৰ বাবে সক্ষম হৈছিল।

১৪.৩ মোগল শাসকসকলৰ ধর্মীয় নীতি

প্ৰথম মোগল শাসক, বাবৰ তেওঁৰ ধর্মীয় নীতি-নিয়ম পালনৰ ক্ষেত্ৰত গোড়া নাছিল। শক্তিশালী ৰাজ্যসমূহক ঐক্যৱদ্ধ কৰাৰ তেওঁৰ ৰাজনৈতিক আকাংক্ষাক ইছলামীয় আদর্শৰ দ্বাৰা বাধাগ্ৰস্ত কৰাক তেওঁ অনুমতি প্ৰদান কৰা নাছিল। তেওঁ কোনো ধর্ম বা সম্প্ৰদায়ক উৎপীড়ণ কৰা নাছিল। তেওঁৰ উত্তৰাধিকাৰী পুত্ৰ হুমায়ুনেও তেওঁৰ পিতৃৰ পদচিহ্নকে অনুসৰণ কৰিছিল।

হুমায়ুনৰ পুত্ৰ আৰু উত্তৰাধিকাৰী আকবৰ এজন চুন্নী আছিল। তেওঁৰ সকলো কর্ম আৰু সিদ্ধান্ততে সহনশীলতাৰ মনোভাৱ প্ৰকাশ ঘটিছিল। আকবৰে পদ্ধতিগতভাৱে চুল-ই- কুল, দিন ই- ইলাহী আদি পৰীক্ষাৰ আৰম্ভণী কৰিছিল।

আকবৰৰ উত্তৰাধিকাৰী জাহাংগীৰ, তেওঁৰ পিতৃৰদৰেই উদাৰ আৰু প্ৰবুজ আছিল। তেওঁ ব্ৰাহ্মণ, জৈন পণ্ডিত আৰু খ্ৰীষ্টিয়ান মিশ্যনেৰীসকলৰ সৈতে অন্তৰংগভাৱে মতবিনিময় কৰিছিল। তেওঁ ইছলাম ধর্মৰ শিক্ষাসমূহক সন্মান কৰিছিল কিন্তু লগতে হিন্দু উৎসৱসমূহ উদযাপনতো অংশগ্ৰহণ কৰিছিল। সপ্তাহৰ এটা দিনত তেওঁ জীৱ-জন্তু হত্যাত নিষেধাজ্ঞা আৰোপ কৰিছিল। হিন্দুসকলৰ সৈতে তেওঁৰ সম্পর্ক মিশ্ৰিত প্ৰকৃতিৰ আছিল। কাংৰাত অৱস্থিত জ্বালামুখীৰ মন্দিৰ তেওঁ ধ্বংস কৰিছিল। কিন্তু একে সময়তে তেওঁ হিন্দু ধর্মৰ প্ৰতি উদাৰ আছিল। তেওঁ 'জিজিয়াকৰ' বা "তীর্থকৰ"ৰ পুনৰ প্ৰচলন ঘটোৱা নাছিল। তেওঁৰ পৰিষদত হিন্দুসকলে উচ্চ স্থান লাভ কৰিছিল। তেওঁলোকে নতুন সন্দিৰ প্ৰতিষ্ঠাৰ স্বধীনতা আছিল জাহাংগীৰৰ সময়চোৱাত মধুৰা, গোকুল আৰু বৃন্দাৱনত বহুতো নতুন মন্দিৰ প্ৰতিষ্ঠান হৈছিল। হিন্দু পণ্ডিতসকলৰ সৈতেও তেওঁ ধর্মীয় আলোচনাত অংশ লৈছিল। যীশুখ্ৰীষ্ট আৰু মেৰীৰ প্ৰতিচ্চবিৰ প্ৰতি তেওঁ সন্মান প্ৰদর্শন কৰিছিল। আকৌ একে সময়তে খ্ৰীষ্টিয়ানসকলৰ ব্যৱহাৰত অসন্তুষ্ট হোৱাত, তেওঁ গীর্জাঘৰসমূহ বন্ধ কৰি দিছিল। জাহাংগীৰে জৰিমনা দিবলৈ অস্বাকাৰ কৰা হেতু, শিখধর্মগুৰু অর্জুনদেৱকু ৎপীড়ন চলাইছিল। তেওঁৰ পুত্ৰ আৰু উত্তৰাধিকাৰী, গুৰু হৰ গোবিন্দক কাৰাগাৰালৈ প্ৰেৰণ কৰা হৈছিল আৰু হত্যা কৰা হৈছিল। ইয়াৰ দ্বাৰা জাহংগীৰে শিখ সম্প্ৰদায়ক অসন্তুষ্ট কৰিছিল।

জাহাংগীৰৰ উত্তৰাধিকাৰী আৰু পুত্ৰ, শ্বাহজাহান তেওঁৰ পিতৃ আৰু ককাকতকৈ, অধিকপৰিমাণে ইছলামধর্মৰ প্ৰতি অনুৰক্ত আছিল আৰু মুছলমান সমাজৰ সংস্কাৰ সাধিব বিচাৰিছিল। তেওঁ ৰাজসভাত প্ৰচলিত ইছলাম ধর্মৰ লগত সংগতি নথকা নীতি- নিয়মসমূহ বন্ধ কৰিছিল। তেওঁ চিজদা আৰু 'জমিনবচ' প্ৰথাৰ বিলুপ্তি কৰিছিল, শ্বাহাৰ তছলীম প্ৰথা প্ৰৱর্তন কৰিছিল। পঞ্জাৰ আৰু কাশ্মীৰত হিন্দু মুচলমানৰ মাজত বিবাহক বন্ধ কৰিছিল; হিন্দুসকলক



তুলাদান ঃ মোগল সময়ত প্ৰচলিত এক অনুষ্ঠান। এই অনুষ্ঠানত সম্ৰাটৰ শাসকৰ শৰীৰৰ ওজন সোণ, ৰূপ আৰু অন্যান্য মূল্যবান দ্ৰব্যৰে নিৰূপন কৰি; সেইসমূহ দান কৰা হৈছিল।

চিজদা /গমিনবচ ঃ সম্ৰাট বা কোনো উচ্চ বিষয়া বা ঐশ্বৰিক লোকক জনোৱা সর্বোচ্চ সন্মান।

শ্বাহাৰ তছলীম ঃ সম্ভাষণ জনোৱাৰ পদ্ধতি য'ত হাতখন মূৰত চাৰিবাৰ দিয়ে। তছলীমত এই প্ৰক্ৰিয়া তিনিবাৰ কৰা হয়।

মুছলমানসকলৰ সাজ-পোচাক অনুকৰণ কৰাত বাধা দিছিল, মুছলমানসকলৰ আবেগত আঘাত দিয়া প্ৰথাসমূহ বন্ধ কৰিছিল, আৰু আকবৰৰ দ্বাৰা বন্ধ কৰা "তীৰ্থকৰ"ৰ পুনপ্ৰৱৰ্তন কৰিছিল। তেওঁ ৭৬ টা হিন্দু মন্দিৰ ধ্বংস কৰিছিল। নতুনকৈ মন্দিৰ প্ৰতিষ্ঠাৰ দিশত তেওঁ বাধা আৰোপ কৰি আদেশ জাৰি কৰিছিল। ইছলাম ধৰ্মলৈ সমূহীয়া ধৰ্মান্তকৰণক তেওঁ উদগনি জনাইছিল। খ্ৰীষ্টিয়ানসকলো ইয়াৰ পৰা ৰেহাই পোৱা নাছিল। কিন্তু এই সকলোবোৰ স্বত্ত্বেও, তেওঁ কেতিয়াও সহনশীলতা আৰু সংযমৰ মূল নীতিৰ পৰা আতৰি অহা নাছিল। তেওঁ ঝাৰোখা দৰ্শন প্ৰথা, তুলাদান প্ৰথা আৰু হিন্দু ৰজাসকলৰ তিলক প্ৰথা বাহাল ৰাখিছিল। যি আছিল হিন্দু ৰজাসকলৰ উত্তৰাধিকাৰীসকলৰ প্ৰতি তেওঁৰ স্বীকৃতিৰ প্ৰতীক। তেওঁ হিন্দুসকলক উচ্চ পদবীৰ পৰাও বঞ্চিত কৰা নাছিল। কাম্বেত তেওঁ গো-হত্যা বন্ধ কৰিছিল আৰু ময়ুৰচৰাই হত্যা কৰাৰ বাবে উৰিষ্যত এজন ব্যক্তিক শাস্তি প্ৰদান কৰিছিল। শ্বাহজাহানৰ এই কৰ্মসমূহে সাক্ষ্য দিছিল যে তেওঁৰ হিন্দুসকল প্ৰতি কোনো স্বভাৱগত ঘৃণা নাছিল। তথাপি তেওঁৰ দুমুখীয়া নীতিসমূহ ৰাষ্ট্ৰৰ বাবে ক্ষতিকাৰক বুলি প্ৰমাণিত হৈছিল আৰু সিংহাসনত ঔৰেংজেৱৰ অধিস্থিত হোৱাৰ পথ সহজমাধ্য কৰি তুলিছিল। সামগ্ৰিকভাৱে শ্বাহজাহানে এক সমনশীলতা আৰু সংযমৰ নীতি অনুসৰণ কৰিছিল।

ঔৰেংজেৱৰ অধীনত, কিন্তু এই ক্ৰমান্বয়ে এই ধাৰা সলনি হবলৈ আৰম্ভ কৰে। ঔৰেংজেৱেৰ গ্ৰহণ কৰা ধৰ্মীয় নীতি তেওঁৰ পূৰ্বসূৰীসকলতকৈ পৃথক আছিল। তেওঁ এজন নৈষ্ঠিক মুছলমান আছিল আৰু ধৰ্ম আৰু ৰাষ্ট্ৰৰ পৃথকতাৰ নীতি পৰিত্যাগ কৰিছিল। তেওঁৰ পূৰ্বসূৰী আকবৰ, জাহাংগীৰ আৰু শ্বাহজাহানে অনুসৰণ কৰা ধৰ্মীয় সহনশীলতাৰ নীতিৰ পৰা তেওঁ ফালৰি কাটিছিল। তেওঁ হিন্দুসকলৰ উৎসৱ হোলী, দিপান্বীতা আৰু বসন্ত উৎসৱক নিষিদ্ধ কৰিছিল। ঔৰেংজেৱৰ প্ৰধান লক্ষ্য আছিল উৎপীড়ন আৰু চাপ প্ৰয়োগৰ দ্বাৰা হিন্দুসকলক ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিক কৰা। এই উদ্দেশ্য হিন্দুসকলক ইছলাম ধৰ্ম গ্ৰহণ কৰিলে অধিক চাপৰ পৰা ৰেহাই দিয়াৰ প্ৰলোভন দিছিল। ইছলাম ধৰ্মলৈ ধৰ্মান্তকৰণ হোৱাৰ পিছত বহু হিন্দু বন্দীক মোকলাই দিয়া হৈছিল। ধৰ্মান্তকৰণ হোৱা হিন্দু শিক্ষাৰ্থীক জলপানি আৰু বিনামূলীয়া উপহাৰ আগবঢ়োৱা হৈছিল। হিন্দু ধৰ্মৰ সৈতে ঔৰেংজেৱৰ প্ৰত্যক্ষ হস্তক্ষেপ সবাতোকৈ প্ৰতীয়মান হয় সমগ্ৰ ভাৱতজুৰি হিন্দু মন্দিৰসমূহ ধ্বংস কৰিবলৈ তেওঁ কৰা প্ৰচেষ্টাৰ পৰা। বিভিন্ন স্থানত অসংখ্য ক্ষুদ্ৰ মন্দিৰ ধ্বংস কৰা হৈছিল; কেৱল ৰাজস্থানতেই ২৪০ টা মন্দিৰ ধ্বংস কৰা হৈছিল। মথুৰাক নতুনকৈ ইছলামাবাদ নামেৰে নামাকৰণ কৰা হৈছিল। ১৬৬৯ ত সম্ৰাটে বিধৰ্মীসকলৰ ধৰ্মীয় শিক্ষা আৰু ৰীতি-নীতি বন্ধ কৰাৰ কৰাৰ উদ্দেশ্য সকলো বিদ্যালয় আৰু মন্দিৰ ধ্বংস কৰাৰ বাবে এখন আদেশ জাৰী কৰিছিল। ঔৰেংজেৱে অনুসৰণ কৰা গোড়া ইছলামীয় আদৰ্শই মোগল সময়ৰ সৱহসংখ্যক উদাৰ গাঁথনিৰ বিলুপ্তিত অৰিহণা যোগাইছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া -

প্ৰশ্ন নং ১ ঃ কোনগৰাকী মোগল শাসকে ব্ৰাহ্মণ, জৈন পণ্ডিত আৰু খ্ৰীষ্টিয়ান মিশ্যনেৰীসকল সৈতে অন্তৰংগবাবে ভাৰ বিনিময় কৰিছিল।

প্ৰশ্ন নং ২ ঃ কাংৰাত অৱস্থিত জ্বালামুখীৰ মন্দিৰ কোনে ধ্বংস কৰিছিল।

প্ৰশ্ন নং ৩ ঃ ছিজদ্‌া প্ৰথাৰ অৱসান কোনে ঘটাইছিল?

প্ৰশ্ন নং ৪ ঃ শিখ গুৰু হৰগোবিন্দক কোনে কাৰাবন্দী কৰিছিল?

প্ৰশ্ন নং ৫ ঃ কোনজন মোগল শাসকে কাম্বেত গো-হত্যা বন্ধ কৰিছিল?

• আকবৰৰ ধৰ্মীয় নীতি

ভাৰতবৰ্ষত শাসন কৰা সকলো ইছলাম ধৰ্মালম্বী শাসকৰ শাসনসময়চোৱাৰ ভিতৰত মোগল সম্ৰাট আকবৰৰ শাসনকালে তেওঁ অনুসৰণ কৰা ধৰ্মীয় নীতি'ৰ বাবে, এক মহৎ তাৎপৰ্য্যতা পূৰ্ণ সময় বুলি অভিহিত কৰিব পাৰি। আকবৰে হিন্দুসকলৰ প্ৰতি এক উদাৰতাপূৰ্ণ নীতি অনুসৰণ কৰিছিল। যদিও তেওঁ এক গোড়া চুন্নী মুছলমান পৰিয়ালৰ পৰা আহিছিল। তেওঁ ধৰ্মীয় নীতিত সহনশীলতা মানি চলিছিল। ধৰ্মৰ প্ৰতি তেওঁৰ মনোভাৱ বিভিন্ন কাৰকৰ দ্বাৰা প্ৰভাৱিত হৈছিল। তেওঁৰ আত্মীয় স্বজন আৰু বন্ধুবৰ্গই তেওঁৰ ওপৰত এক উদাৰবাদী প্ৰভাৱ পেলাইছিল। তেওঁৰ মাতৃকে যি এগৰাকী পাৰ্ছীয়ান পণ্ডিতৰ কন্যা আছিল। তেওঁক সহনশীলতাৰ পাঠ শিকাইছিল। তদুপৰি, তেওঁৰ ঘৰুৱা শিক্ষক, আব্দুল লতিফৰ প্ৰভাৱত, আকবৰ ধৰ্মীয় দৃষ্টিভংগীৰ ক্ষেত্ৰত উদাৰ হৈ উঠিছিল। সময়ৰ লগে লগে তেওঁৰ ধৰ্মীয় দৃষ্টিভংগীৰে এক বৃহৎ পৰিবৰ্তন ঘটে। তেওঁ সকলো ধৰ্মৰ লোককে এক কৰাৰ উদ্দেশ্য চুল-ই-কুল (সকলোৰে বাবে শান্তি)ৰ নীতি অবলম্বন কৰিছিল। ১৫৮২ চনত আকবৰে "তৌহিদ-ঈ-ইলাহী" নামেৰে এক নতুন ধৰ্মবিশ্বাসৰ আৰম্ভণী কৰে, যি পিছলৈ **"দিন-ঈ-ইলাহী"** নামেৰে জনপ্ৰিয় হৈ উঠে। আকবৰে ৰাজপুতসকলৰ প্ৰতি গ্ৰহণ কৰা নীতিও তেওঁৰ ধৰ্মীয় নীতিৰ ভিত্তিতে গঢ় লৈ উঠিছিল। 'দিন-ঈ-ইলাহী' আছিল সকলো ধৰ্মৰ পৰা গ্ৰহণ কৰা সাৰভাগ। সকলো ধৰ্মৰ লোককে আকবৰে স্বাধীনতা প্ৰদান কৰিছিল। তেওঁৰ আগৰ শাসকসকলে আৰোপ কৰা

সকলোধৰণৰ ধর্মীয় বাধা নিষেধৰ আকবৰে অৱসান ঘটাইছিল। মন্দিৰ আৰু ৰাজহুৱা স্থানত উপাসনা কৰাৰ বাবে তেওঁ হিন্দুসকলক অনুমতি প্রদান কৰিছিল। তেওঁ মুছলমানসকলোকো তেওঁলোকৰ ধর্ম পৰিবর্তনৰ অনুমতি দিছিল। ধর্ম আৰু সম্প্রদায়ৰ ভিত্তিত তেওঁ কেতিয়াও বাচবিচাৰ কৰা নাছিল আৰু চৰকাৰী বিষয়বাবৰ ক্ষেত্রত সকলোকে সমান সুযোগ প্রদান কৰিছিল। আকবৰে গ্রহণ কৰা এনেধৰণৰ নীতিৰ ফলত, মুছলমান উলেমা বা ধর্মগুৰুসকলে তেওঁ লোকৰ পূর্বৰ অৱস্থান হেৰুৱাইছিল আৰু ইমান পর্য্যন্ত অসন্তুষ্ট হৈছিল যে তেওঁলোকে আকবৰৰ বিৰুদ্ধে ফতোৱা জাৰী কৰিছিল।



জানি থোৱা ভাল

দিন-ঈ-ইলাহীৰ মুখ্য নীতিসমূহ তলত দিয়া ধৰণে আছিল)

(১) আল্লাহ/ঈশ্বৰ এজন আৰু আকবৰ হৈছে পৃথিৱীত তেওঁৰ খলিকা বা প্রতিনিধি।

(২) এই মতবাদত বিশ্বাসীসকলে ইজনে সিজনক লগ পালে "আল্লা-হু- আকবৰ" আৰু "জাল্লা-জাল্লালাহু" উচ্চাৰণ কৰে।

(৩) প্রত্যেকজন এই ঐশ্বৰিক মতবিশ্বাসীসকলে সদায় সম্রাটৰ প্রতি তেওঁৰ সম্পত্তি, জীৱন, সন্মান, আৰু ধর্ম উৎসর্গা কৰাৰ বাবে সাজু হৈ থকাৰ বাবে আশা কৰা হয়।

(৪) সকলো সদস্যই সম্রাটৰ সন্মুখত মূৰ দোৱাই 'ছিজদা্" প্রদর্শন কৰা প্রয়োজন।

(৫) জন্মদিনত প্রত্যেকজন সদস্যই পার্টিৰ আয়োজন কৰি ভোজ আগবঢ়াব লাগিছিল।

(৬) এই মতবিশ্বাসত মাংস খোৱা নিষিদ্ধ আছিল।

(৭) সদস্যসকলে অন্য ধর্মৰ প্রতি সন্মান প্রদর্শন কৰিবলগীয়া হৈছিল।

(৮) সদস্যসকলে বৃদ্ধা আৰু নাবালিকাক বিবাহ কৰিব নোৱাৰিছিল।

(৯) প্রতিদিনে সূর্য্য উপাসনাৰ ব্যৱস্থা আছিল।

(১০) প্রত্যেকজন সদস্যই অন্ধ বিশ্বাস পৰিত্যাগ কৰি নিজৰ বিচাৰ-বুজি ব্যৱহাৰ কৰা প্রয়োজনীয় আছিল।

(১১) প্রত্যেকজনে এক পবিত্র জীৱন পালন কৰাটো প্রয়োজনীয় আছিল আৰু সকলোৰে প্রতি ভাল কৰাটো বাঞ্চনীয় আছিল।

(১২) নতুন সদস্যৰ অর্ন্তভুক্তি কেৱল ৰবিবাৰে কৰা হৈছিল।

আকবৰে উপলব্ধি কৰিছিল যে গৰিষ্ঠসংখ্যক হিন্দু নাগৰিকৰ সহযোগিতা অবিহনে তেওঁ কেতিয়াও এখন ঐক্যৱদ্ধ আৰু শক্তিশালী সাম্রাজ্য প্রতিষ্ঠা কৰিব সক্ষম নহব। হিন্দুসকলৰ সদিচ্চা জয় কৰাৰ উদ্দেশ্য তেওঁ ১৫৬৩ চনত হিন্দুসকলে তীর্থস্থানসমূহ ভ্রমণ কৰোতে পৰিশোধ কৰিবলগীয়া কৰৰ অৱসান ঘটাই। পিছৰ পর্যায়ত তেওঁ অমুছলমান লোকে সাম্রজ্যত বসবাস কৰিলে দিবলগীয়া কুখ্যাত জিজিয়া কৰৰ বিলুপ্তি

ঘটাইছিল। আকবৰৰ উদাৰ দৃষ্টিভংগীৰ ফলত এক নতুন ধর্মীয় নীতিৰ জন্ম দিছিল। জনসাধাৰণক তেওঁলোকৰ পছন্দৰ ধর্ম পালন কৰাৰ স্বাধীনতা দিছিল। হিন্দুৰ উৎপীড়ন আৰু ইছলাম ধর্মলৈ ধর্মান্তকৰণ প্ৰায় কমি গৈছিল। নতুনকৈ মছজিদ সজা নাইবা প্ৰাচীনসমূহৰো মেৰামতি, দুয়োটাই কৰা হোৱা নাছিল। গোহত্য নিষিদ্ধ কৰা হৈছিল, দাঢ়ি খুড়াবলগীয়া হৈছিল আৰু নহৰু, পিয়াজ আৰু গো-মাংসৰ দৰে খাদ্যত নিষেধাজ্ঞা আৰোপ কৰা হৈছিল। আৰৱী ভাষাৰ প্ৰচলন বাধাগ্ৰস্ত হৈছিল। বিভিন্ন ধর্মৰ পণ্ডিতসকলক একত্ৰিত কৰি তেওঁলোকৰ ধর্মৰ প্ৰধান নীতিসমূহ আৰু মূল বিশ্বাসৰ বিষয়ে আলোচনা আৰু বর্ণনা কৰাৰ উদ্দেশ্য ১৫৭৫ ত ফটেহপুৰ চিক্ৰীত ইবাদত খানাৰ প্ৰতিষ্ঠা কৰা হয়। দিন-ঈ-ইলাহীয়ে কোনো ধর্মমত ডাঙি ধৰা নাছিল। ই কোনো ধর্মবিশ্বাস বা অৱতাৰক স্বীকৃতি দিয়া নাছিল। তেওঁ কাকো এই মতবাদ গ্ৰহণ কৰিবলৈ বাধ্য কৰোৱা নাছিল বা কাকোকে এই নতুন বিশ্বাসলৈ পৰিবর্তিত কৰাৰ বাবে বল প্ৰযোগ কৰা নাছিল। 'দিন-ঈ-ইলাহীৰ' অনুগামীসকলক তেওঁ কোনো ধর্ম গ্ৰন্থও প্ৰদান কৰা নাছিল। আকবৰে আৰম্ভ কৰা এই মতবাদে জনপ্ৰিয়তা লভিবলৈ সক্ষম হোৱা নাছিল আৰু নগণ্য সংখ্যক লোকেহে এই ধর্ম কৰিছিল। প্ৰকৃততে, আকবৰে ধর্ম প্ৰচাৰকৰ দৰে তেওঁৰ এই নতুন ধর্মৰ প্ৰচাৰ চলোৱা নাছিল।



অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া -

প্ৰশ্ন নং ৬ ঃ আকবৰে প্ৰচাৰ কৰা ধর্মৰ নাম কি আছিল?

_____

প্ৰশ্ন নং ৭ ঃ জিজিয়াৰ অৱসান কোনে ঘটাইছিল।

_____

প্ৰশ্ন নং ৮ ঃ কেতিয়া আৰু ক'ত ইবাদত খানাৰ প্ৰতিষ্ঠা হৈছিল?

_____

প্ৰশ্ন নং ৯ ঃ কি উদ্দেশ্যৰে আকবৰে 'চুল-ই-কুল'ৰ নীতি গ্ৰহণ কৰিছিল?

_____

ইবাদতখানাঃ উপাসনা গৃহ

ফটোৱা ঃ ইছলামধর্মৰ আইন অনুসৰি জাৰী কৰা আদেশ। ধর্মীয় আইনবিদ্যাত পাৰ্গত ব্যক্তিৰ দ্বাৰা কোনো বিশেষ ঘটনাক লৈ এনে আদেশ জাৰী কৰা হয়।

নোৱোজ ঃ পাৰ্চীয়ান কেলেণ্ডাৰ অনুযায়ী নববর্ষ ।

জীহাদ ঃ ধর্মীয় যুদ্ধ।

• ঔৰেংজেৱৰ ধর্মীয় নীতি

ঔৰেংজেৱ এগৰাকী চুন্নী মুছলমান আছিল আৰু তেওঁৰ জীৱনৰ প্ৰধান উদ্দেশ্য আছিল ভাৰতবর্ষক এখন গোড়া চুন্নী ইছলামৰ দেশৰূপে প্ৰতিষ্ঠা কৰা। তেওঁৰ লক্ষ্য আছিল ভাৰতক 'দাৰ-উল--হার্ব অর্থাৎ অ-মুছলমান দেশৰ পৰা "দাৰ-উল- ইছলাম" বা ইছলামৰ স্থানৰূপে পৰিবর্তন ঘটোৱা। তেওঁৰ ৰাজহুৱা বা ব্যক্তিগত, সকলো কার্য্যই এই

বাসনাৰ দ্বাৰা প্ৰভাৱান্বিত আছিল। তেওঁ প্ৰত্যেক হিন্দু আৰেগত আঘাত হনা পদক্ষেপ লবলৈ আৰম্ভ কৰে। তেওঁ ৰাজনীতিৰ ওপৰত ধৰ্মৰ হস্তক্ষেপক অনুমতি প্ৰদান কৰে। ঔৰংজেৱে কো�ৰাণৰ নীতিসমূহ কঠোৰ ভাৱে মানি চলিবলৈ চেষ্টা কৰিছিল আৰু জনসাধাৰণৰ জীৱন ব্যৱস্থাক ইয়াৰ নিকটতমভাৱে লৈ আনিবলৈ চেষ্টা চলাইছিল। তেওঁৰ জীৱনৰ প্ৰতি নৈষ্ঠিক দৃষ্টিভংগীক কাৰ্য্যকৰী ৰূপ দিয়াৰ উদ্দেশ্য ১৬৬৮ চনত তেওঁ ৰাজসভাত সংগীত নিষিদ্ধ কৰে আৰু নৌৰোজ উৎসৱৰ উদযাপনকে অন্ত পেলায়। তেওঁ মদ আৰু ডাঙৰ ৰাজহুৱা ব্যৱহাৰ বন্ধ কৰিছিল আৰু ইছলামৰ আইন কঠোৰভাৱে বলবৎ কৰাৰ উদ্দেশ্য 'মাহতাচিব' বা নৈতিকতাৰ বিচাচক নিযুক্তি দিছিল। অমুছলমানৰ স্পৰ্শৰ দ্বাৰা অপবিত্ৰ হোৱাৰ আশংকাত তেওঁ মুদ্ৰাত ইছলাম ধৰ্মৰ মূল শ্লোক 'কলিমা' খোদিত কৰা প্ৰথা বাতিল কৰিছিল। ঔৰংজেৱৰ ব্যক্তিগত জীৱনো সন্যাসীৰ দৰে আৰু অনাড়ম্বৰ আছিল আৰু মুছলিমসকলে তেওঁক 'জিন্দাপীৰ' বা 'জীৱিত সাধুপুৰুষ' বুলি গণ্য কৰিছিল। ১৬৬৯ ৰ পৰা, তেওঁ ভাৰতক এখন গোড়া ইছলামিক দেস বনোৱাৰ তেওঁৰ নীতিত কার্য্য কৰিবলৈ লয়। এই উদ্দেশ্য মূৰ্তিপূজা বন্ধ কৰা হয় আৰু হিন্দু সকলৰ বিৰুদ্ধে জিহাদৰ ধৰ্মযুদ্ধৰ আৰম্ভণী কৰা হয়। প্ৰাদেশিক শাসকসমূহলৈ তেওঁ মন্দিৰ আৰু হিন্দুসকলৰ বিদ্যালয় ধ্বংস কৰাৰ আৰু মুৰ্তি উপাসনাৰ পদ্ধতি আৰু শিক্ষা বন্ধ কৰাৰ বাবে নির্দেশ জাৰী কৰিছিল। তেওঁৰ বৈষম্যমূলক নীতিৰ প্ৰথম প্ৰভাৱ অনুভূত হৈছিল হিন্দুধৰ্মৰ কেন্দ্ৰস্বৰূপ বাণাৰসত।১৬৬৯ ত মধুৰাত অৱস্থিত বিখ্যাত কাশী বিশ্বনাথৰ মন্দিৰ আৰু কেশৱ ৰায়ৰ মন্দিৰ ধ্বংস কৰি ইয়াৰ সামগ্ৰী ব্যৱহাৰ কৰি চহৰত প্ৰভুত্ব বিস্তাৰ কৰাৰ উদ্দেশ্য চৰকাৰীভাৱে এক মছজিদ নির্মাণ কৰা হৈছিল। তদুপৰি তেওঁ সোমনাথ মন্দিৰ ধ্বংস কৰাৰ বাবেও আদেশ দিছিল। আনকি মোগলৰ মিত্ৰ ৰাজপুত ৰাজ্যসমূহৰ চহৰত অৱস্থিত মন্দিৰসমূহেও এই অপৱিত্ৰকৰণ আৰু ধ্বংস কার্যৰ পৰা ৰেহাই পোৱা নাছিল। তেওঁৰ পৰৱর্তী পদক্ষেপ আছিল ৰাজহ বিভাগত হিন্দু বিষয়াৰ নিযুক্তি বন্ধ কৰাটো। ঔৰংজেৱৰ অসহিষ্ণু নীতিৰ সর্বোচ্চ উদাহৰণ আছিল ১৬৭৯ ত জিজিয়া কৰৰ পুনঃ প্ৰবর্তন কৰাতো।



জানি থোৱা ভাল

ঔৰংজেৱে তেওঁৰ পূৰ্বসূৰী মোগল শাসক-আকবৰ, জাহাংগীৰ আৰু শ্বাহজাহানে অনুসৰণ কৰা তুলাদান আৰু 'ঝৰোখা দর্শন' প্ৰথাৰ অন্ত পেলাইছিল।

ঔৰংজেৱে বহুসংখ্যক অ-ইছলামিয় প্ৰথা বন্ধ কৰিছিল। এইসমূহৰ ভিতৰতঃ

(ক) সৌৰ-কেলেণ্ডাৰৰ প্ৰচলন বন্ধ কৰিছিল

(খ) আৰৱীয় চান্দ্র-কেলেণ্ডাৰৰ প্রচলন আৰম্ভ কৰিছিল।
(গ) মুদ্রাত 'কলিমা' খোদিত কৰা প্রথা বন্ধ কৰিছিল।
(ঘ) ৰাজতন্ত্রত ইছলামীয় তত্ত্বক পুনর্জীৱিত কৰিছিল।
(ঙ) ঝাৰোখা-দর্শন' প্রথাৰ অৱসান ঘটাইছিল।
(চ) জন্মদিনত সম্রাটক তুলাচনীত জোখা ব্যৱস্থাৰো অন্ত পেলাইছিল।
(ছ) সমগ্র সাম্রাজ্যজুৰি ডাঙৰ খেতি নিষিদ্ধ কৰিছিল।

ঔৰেংজেৱৰ ধর্মীয় নীতিয়ে ৰাজনৈতিকভাৱে বিপর্য্যয় কঢ়িয়াই আনিছিল। ইয়াৰ ফলত সমগ্র দেশদুৰি বিদ্রোহৰ ঢৌ বলিছিল। সম্রাটৰ বৈষম্যমূলক আৰু হিন্দু দমন নীতিৰ বিৰুদ্ধে জাট, বুন্দেলা, সত্নামি, শিখ, ৰাজপুত আৰু মাৰাঠাসকলে সশস্ত্র বিদ্রোহত লিপ্ত হৈছিল। এক দীর্ঘ জীৱনজুৰি সংগ্রামৰ অন্তত অৱশেষত ১৭০৭ত বৃদ্ধ সম্রাটৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁ এক অকলশৰীয়া, হতাশাগ্রস্ত আত্মালৈ ৰূপান্তৰিত হৈছিল যি নিজৰ কর্মত অসন্তুষ্ট আছিল। নিজে ৰোপন কৰা বিষ-বৃক্ষৰ ফল তেওঁ ভোগ কৰিবলগীয়া হৈছিল।

১৪.৪ হিন্দুবাদ

ইছলাম ধর্মৰ প্রভাৱৰ ফলত ধর্মৰ দিশত নতুন মতবাদ/ পন্থাৰ উত্থান ঘটিছিল। যাৰ মুখ্য উদ্দেশ্য আছিল হিন্দুসকলৰ ধর্মীয় আচাৰত মুক্ততা অনাতো, আৰু হিন্দু আৰু মুছলমানৰ মাজত কিছু পৰিমাণে সমিলমিল স্থাপন কৰাটো। ইছলামধর্মৰ একেশ্বৰবাদ আৰু সামাজিক আৰু ধর্মীয় ক্ষেত্রত ইয়াৰ গণতান্ত্রিক আদর্শ সমূহে সেই সময়ৰ সংস্কাৰকসমূহক এই আদর্শসমূহৰ আধাৰত হিন্দুধর্মকো নতুনকৈ ব্যাখ্যা কৰাৰ প্রতি উদ্বদ্ধ কৰিছিল। তেওঁলোকে এক ঔপচাৰিকতাবিহীন আৰু জাতি আৰু সম্প্রদায়ৰ বিভাজন নোহোৱাকৈ সকলোৰে বাবে মুকলি এক ধর্মৰ পোষকতা কৰিছিল। ইয়াৰ মুখ্য নীতি আছিল ভক্তি আৰু এক ব্যক্তিগত ভগৱানৰ প্রতি একান্ত ভক্তি। তেওঁলোকে বিশ্বাস কৰিছিল যে ভগৱানৰ দয়াই হৈছে নির্বাণ লাভৰ একমাত্র পথ। এই কথা মন কৰিবলগীয়া যে ভক্তি পন্থা ইছলাম ধর্মতকৈ বহু প্রাচীন আছিল আৰু নামমাত্রহে ইয়াৰ ওচৰত ধৰুৱা আছিল। কিন্তু হিন্দু চিন্তাবিদসকলৰ ওপৰত পেলোৱা ইছলাম ধর্মই কঢ়িয়াই অনা নতুন আদর্শৰ প্রভাৱৰ ফলত ই এক নতুন জীৱন লাভ কৰে।

মোগল সময়চোৱাত আৰু বিশেষকৈ আকবৰৰ সময়ত হিন্দুসকলৰ সাধাৰণ অৱস্থাৰ এক পৰিবর্তন ঘটিছিল। ধর্মীয় সত্য নিৰূপন কৰাৰ উদ্দেশ্য আকবৰে সন্তসকলৰ সৈতে আলোচনাত অংশগ্রহণ কৰিছিল। আকবৰে বেদপাঠ শুনিছিল আৰু হিন্দু সন্তসকলক সন্মান কৰিছিল। ধর্মীয় দিশত আকবৰৰ উদাৰ মনোভাৱক সন্ত তুলসীদাসেও প্রশংসা কৰিছিল। আকবৰে এক নির্দেশ

জাৰী কৰিছিল। যাৰ দ্বাৰা ঘোষণা কৰা হৈছিল যে ধর্মৰ ভিত্তিত কোনো ব্যক্তিৰ জীৱনত হস্তক্ষেপ কৰা নহব। আনৰ ওপৰত নিজৰ ধর্মবিশ্বাস জাপি দিবলৈ চেষ্টা কৰাসকলৰ প্রতি কঠোৰ ব্যৱস্থা গ্রহণ কৰা হৈছিল। ৰাষ্ট্র যাতে ধর্মনিৰপেক্ষ আৰু ন্যায়ৰ পক্ষত থাকে সেইয়া উদ্দেশ্য নিশ্চিত কৰাৰ উদ্দেশ্য তেওঁৰ মন্ত্রীসকলক সজাগ আছিল। এগৰাকী মোগল বিষয়াই এটা হিন্দু মন্দিৰক এখন মুছলমান বিদ্যালয়লৈ পৰিবর্তন কৰাৰ বাবে, তোডৰ মনে তেওঁক কঠোৰ শাস্তি বিহিছিল। হিন্দু নাগৰিকসকলে অনুভৱ কৰিছিল যে সম্রাটে নিজকে আন কাৰোবাতকৈ অধিক ভাৱে হিন্দুসকলৰ ৰক্ষক বুলি গণ্য কৰিছিল। হিন্দুসকলৰ আৱেগৰ প্রতি লক্ষ্য ৰাখি তেওঁ গো-হত্যা বন্ধ কৰিছিল। তেওঁ গো-মাংস ভক্ষণ নিষিদ্ধ কৰিছিল আৰু নিজেই গো-মাংস, নহৰু আৰু পিয়াজৰ পৰা আঁতৰি আছিল। ১৫৬৩ চনত তেওঁ মথুৰা আৰু অন্য পবিত্র স্থানসমূহলৈ তীর্থযাত্রাৰ বাবে যোৱা হিন্দু তীর্থযাত্রী সকলৰ ওপৰত আৰোপিত কৰ প্রত্যাহাৰ কৰে। ৰপ্তুছচ্ছ্র ত সমগ্র সাম্রাজ্যজুৰি জিজিয়াকৰৰ অৱসান ঘটোৱা হয়। অৱশ্য আকবৰ হিন্দুধর্মৰ কিছু আচাৰ-অনুষ্ঠানৰ প্রতি বিৰাগ মনোভাৱ আছিল। বিশেষকৈ পতিৰ মৃত্যুৰ পাছত বিধৱা পত্নীক জ্বলাই হত্য। কৰা সতী প্রথাৰ প্রতি। আকবৰৰ পুত্র আৰু উত্তৰাধিকাৰী জাহাংগীৰেও তেওঁৰ পিতৃয়ে দেখাই যোৱা পথকে অনুসৰণ কৰিছিল। তেওঁ হিন্দু ধর্মক শ্রদ্ধা কৰিছিল, হিন্দু সন্তসকলৰ সৈতে ধর্মীয় আলোচনাত অনুষ্ঠিত কৰিছিল, তেওঁলোকৰ পৰা দিহা পৰামর্শ বিচাৰিছিল আৰু হিন্দু পবিত্র স্থানসমূহ পৰিভ্রমণ কৰিছিল। হিন্দু পণ্ডিত আৰু দার্শনিকসকলক ৰাজসভালৈ আমন্ত্রণ কৰি তেওঁলোকৰ সৈতে আলোচনাত অংশগ্রহণ কৰাৰ যি প্রথা আকবৰে আৰম্ভ কৰিছিল, সেই প্রথা জাহাংগীৰেও অব্যাহত ৰাখিছিল। ৰবিবাৰ আৰু বৃহস্পতিবাৰে জীৱ হত্যা নকৰাৰ পূর্বৰ আদেশ তেওঁ বাহাল ৰাখিছিল। এই আদেশ কঠোৰভাৱে বলবৎ কৰা হৈছিল। উক্ত দিন দুটাত তেওঁ চহৰ ভ্রমণ কৰিছিল; মাংস বিক্রী বন্ধ কৰা হৈছেনে নিশ্চিত কৰিবলৈ জাহাংগীৰৰ পাছত, শ্বাহজাহান আৰু তেওঁৰ পুত্র যুৱৰাজ দাৰাইয়ে ধর্মীয় ক্ষেত্রত উদাৰ দৃষ্টিভংগী গ্রহণ কৰিছিল। যুৱৰাজ দাৰা-শ্বিক'হ হিন্দু আৰু ইছলাম ধর্মৰ সংস্কৃতিৰ মাজত সাঁকো স্থাপনৰ প্রয়াস কৰিছিল। সকলো ধর্মবিশ্বাসৰ মাজত ভাতৃত্ববোধ আৰু মানৱজাতিৰ ঐক্যস্থাপনৰ যি বিশাল সপোন দাৰা-শ্বিক'ই দেখিছিল, সেই সপোন তেওঁৰ অকালমৃত্যুত ঠান-বান হৈ পৰে। দীর্ঘ সময়জুৰি দাৰাই সংস্কৃত অধ্যয়ণ কৰিছিল। ভগ্নী জাহানাৰাৰ সৈতে তেওঁ নিপুনভাৱে হিন্দু মহাকাব্য আৰু বেদসমূহৰ অধ্যয়ণ কৰিছিল। তেওঁৰ আদেশত বেদসমূহ বহু ভাগ /অংশ পাচীঁলৈ অনুবাদ কৰা হৈছিল। হিন্দুধর্ম আৰু ইছলামধর্মৰ ক্ষেত্রত দাৰাই কৰা অধ্যয়নৰ পৰা তেওঁৰ মনত বিশ্বাস হৈছিল যে দুয়োটা ধর্মৰ মাজৰ কোনো পার্থক্য নাই। আকবৰ আৰু জাহাংগীৰৰ দৰেই দাৰা আৰু তেওঁৰ পত্নীয়ে প্রত্যেক ৰাতিপুৱা সূর্য্য প্রণাম কৰিছিল আৰু গধূলিসময়ত চাকি জ্বলোৱাৰ সময়ত অগ্নি দেৱতাৰ প্রতি সন্মান প্রদর্শন কৰি থিয় হৈছিল। আনকি গোড়া সম্রাট ঔৰেংজেৱেও হিন্দু সন্তসকলৰ প্রতি সন্মান প্রদর্শন কৰিছিল আৰু মন্দিৰ, মঠ, পণ্ডিত যোগীসকলক 'জাগীৰ' প্রদান কৰিছিল। তদুপৰি, তেওঁৰ সমগ্র শাসনকালত তেওঁ গো-হত্যাৰ ক্ষেত্রত থকা নিষেধাজ্ঞা কঠোৰভাৱে বলবৎ কৰি ৰাখিছিল।



অগ্রগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়া -

১০। ঔৰেংজেৱে প্ৰচাৰ কৰা ধৰ্ম কি আছিল?

_____

১১। কোনজন শাসকে ঝৰোখা দৰ্শন ব্যৱস্থাৰ অৱসা ঘটাইছিল।

_____

১২। ঔৰেংজেৱে ধ্বংস কৰা মন্দিৰৰ নাম উল্লেখ কৰা?

_____



১৪.৫ অধ্যায়টিৰ পৰা আমি কি জানিলো—

এই অধ্যয়টি অধ্যয়ণ কৰি আমি জানিলো—

- মোগল শাসকসকলৰ সময়ৰ ধৰ্মীয় অৱস্থাৰ বিষয়ে,
- আকবৰৰ ধৰ্ম "দিন-ঈ-ইলাহী"ৰ লক্ষ্য আৰু উদ্দেশ্যৰ বিষয়ে,
- ঔৰেংজেৱৰ ধৰ্মীয় নীতি আৰু হিন্দু প্ৰজাসকলৰ প্ৰতি তেওঁৰ মনোভাৱৰ বিষয়ে,
- মোগল সময়চোৱাত হিন্দু ধৰ্মৰ বিকাশৰ বিষয়ে।



১৪.৬ আধিক জানিবলৈ

1. Chandra, Satish. (2011). *A History of Medeval India*. New Delhi, India : Orient Blackswan.
2. Chaudhury, K.C. (2016). *History of Medieval India's*. Kolkata, India : New Contral Book Agency.
3. Farooqui, Sahna Ahmed. (2011). *A Comprehensive History of Medieval India*. New Delhi, India : Pearson.
4. Haiti, Pravtansu. (2014). *Medieval Indias*. Kolkata, India : Sreedhar Publishers.

১৪.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ জাহাংগীৰ

২ নং প্রশ্নৰ উত্তৰ ঃ জাহাংগীৰ

৩ নং প্রশ্নৰ উত্তৰ ঃ শ্বাহজাহান

৪ **নং প্রশ্নৰ উত্তৰ ঃ** জাহাংগীৰ

৫ নং প্রশ্নৰ উত্তৰ ঃ শ্বাহজাহান

৬ নং প্রশ্নৰ উত্তৰ ঃ তৌহিদ-ই-ইলাহী (দিন-ই-ইলাহী)

৭ নং প্রশ্নৰ উত্তৰ ঃ আকবৰ

৮ নং প্রশ্নৰ উত্তৰ ঃ ১৫৭৫ চনৰ জানুৱাৰী মাহত ফটেহপুৰ চিক্রীত

৯ নং প্রশ্নৰ উত্তৰ ঃ সকলো ধর্মৰ লোকক এক কৰিবলৈ।

১০ নং প্রশ্নৰ উত্তৰ ঃ দাৰ-উন- ইছলাম

১১ নং প্রশ্নৰ উত্তৰ ঃ ঔৰেংজেৱ

১২ নং প্রশ্নৰ উত্তৰ ঃ কাশী বিশ্বনাথ মন্দিৰ, কেশৱৰায় মন্দিৰ, সোমনাথ মন্দিৰ ইত্যাদি

১৪.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ ঃ শিখ গুৰু অর্জুনৰ পুত্র আৰু উত্তৰাধিকাৰী কোন আছিল।

প্রশ্ন ২ ঃ কোনজন মোগল শাসকে আৰু কোন চনত জিজিয়াৰ পুনঃপ্রৱর্তন কৰিছিল?

প্রশ্ন ৩ ঃ কোনজন মোগল সম্রাটক "আলমগীৰ" উপাধিপ্রদান কৰা হৈছিল?

খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিয়ক)

(১) ঃ দিন-ঈ-ইলাহী মুখ্য আদর্শসমূহ কি আছিল।

(২) ঃ জাহাংগীৰৰ শাসনকালত হিন্দু প্রজাসকলৰ অৱস্থাৰ বিষয়ে চমুকৈ বর্ণনা কৰক।

(৩) ঃ ধর্মীয় নীতিৰ ওপৰত ভিত্তি কৰি আকবৰ আৰু ঔৰেংজেৱৰ মাজত পার্থক্য নিৰূপণ কৰক।

গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০০ টা শব্দৰ ভিতৰত দিয়ক)

প্রশ্ন ১ ঃ আকবৰৰ ধর্মীয় নীতিৰ বিষয়ে সমালোচনাত্মকভাৱে বর্ণনা কৰক।

প্রশ্ন ২ ঃ তেওঁ অনুসৰণ কৰা ধর্মীয় নীতিৰ পৰিপ্রেক্ষিতত ঔৰেংজেৰ কিমান দূৰলৈ মোগল ৰাজবংশৰ পতনৰ বাবে দায়ী আছিল?

প্রশ্ন ৩ ঃ শ্বাহজাহানৰ ধর্মীয় নীতিৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ ঃ ঔৰেংজেৰৰ ধর্ম আৰু হিন্দুসকলৰ প্রতি তেওঁৰ ব্যৱহাৰৰ বিষয়ে আলোচনা কৰক।

*** *** ***